# CELEBRATION OF 400TH BIRTH ANNIVERSARY OF LACHIT BARPHUKAN AT SARAIGHAT COLLEGE ON 23TH NOVEMBER, 2022

## শৰাইঘাট কলেজত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপন

আমাৰ খবৰ, চাংসাৰি, ২৪ নৱেম্বৰ ঃ জালুকবাৰী সমষ্টিৰ চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ৰ উদ্যোগতো ২৩ নৱেম্বৰত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি 'কবিতা আবৃত্তি প্ৰতিযোগিতা' আৰু 'স্বৰচিত কবিতা প্ৰতিযোগিতা' আয়োজন কৰা হয়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° ধনেশ্বৰ কলিতাই আঁত ধৰা সামৰণি অনুষ্ঠানত উপস্থিত থাকে শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা আৰু শৰাইঘাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী আৰু সহযোগী অধ্যাপক জয়ন্ত শৰ্মা। সমগ্ৰ অনুষ্ঠানটোত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণ আছিল উৎসাহজনক। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা শিক্ষাৰ্থীসকলক পুৰস্কৃত কৰা হয়। ইতিমধ্যে হৈ যোৱা 'ৰচনা প্ৰতিযোগিতা'ত স্থান প্ৰাপ্তসকলকো পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। ৰচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ লাভ কৰে মিছ ৰিজুৱানা বেগমে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে ভাস্বতী দাসে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে টুইংকল মণি ডেকাই। 'ঠাইতে লিখা কবিতা প্ৰতিযোগিতা'ত ক্ৰমে অলকেশ ৰাজবংশী, বন্দনা ডেকা আৰু মিছ ৰিজুৱানা বেগমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে। 'কবিতা আবৃত্তি প্ৰতিযোগিতা'ত প্ৰথম পুৰস্কাৰ লাভ কৰে বন্দনা ডেকাই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে মেৰিনা বেগমে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে পাকিজা চৌধুৰীয়ে।